## গোৱালপাৰা মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচন

# ভাৰতবৰ্ষৰ ভিতৰতে নাট্য সাহিত্যত অসমৰ স্থান প্ৰথম ঃ ড° দয়ানন্দ পাঠক

**গোৱালপাৰা ঃ** নিজা বাতৰি দিওঁতা, ২৯ ফেব্ৰুৱাৰী ঃ ভাৰতবৰ্ষৰ ভিতৰতে নাট্য সাহিত্যত অসমৰ স্থান প্ৰথম। অসমৰ শ্ৰীমন্ত শংকৰদেৱৰ নাট্য সাহিত্য সাম্প্ৰতিক কালত পৃথিৱীৰ উন্নতমানৰ দেশসমূহতো চৰ্চা হৈছে। নিজৰ ভাষাত অংকীয়া নাট পৰিৱেশন কৰিছে। বহু লোকে বৰগীত, অংকীয়া নাটৰ বিষয়ত গৱেষণা কৰিছে। ই অসমৰ বাবে কম গৌৰৱৰ কথা নহয়। গোৱালপাৰা মহাবিদ্যালয়ৰ সভাকক্ষত আজি মহাবিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা জ্যেষ্ঠ অধ্যাপক শৈলেনজিৎ শৰ্মাৰ সদ্য প্ৰকাশিত 'নাট্য কৰণি' শীৰ্ষক ছয়খন পূৰ্ণাংগ নাটকৰ একত্ৰ সংকলন উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ-চিন্তাবিদ ড° দয়ানন্দ পাঠকে এনেদৰে কয়। অধ্যাপক ড° যুগব্ৰত দাস আৰু ড° জেহিৰুল ইছলামে আঁত ধৰা অনুষ্ঠান আৰম্ভ হয় বৰষা দাসৰ কণ্ঠৰ বৰগীতেৰে। এগছি বন্তি জ্বলাই অনুষ্ঠান আৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অনুষ্ঠানৰ সভাপতি ড° সুভাষ বৰ্মনে। সভাত মুখ্য অতিথিৰ ভাষণ দি বিশিষ্ট শিক্ষাবিদ ড° অৱনী কুমাৰ ভাগৱতীয়ে অধ্যাপকসকলক অৱসৰৰ দিনা একোখনকৈ গ্ৰন্থ প্ৰকাশ কৰিবলৈ আহ্বান জনায়। বিশিষ্ট অতিথিৰ ভাষণ দিয়ে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাসে। নাট্য সংকলনখনৰ সংকলক অধ্যাপক শৈলেনজিৎ শৰ্মাই তেওঁৰ অৱসৰৰ সময়ৰ যোগাত্মক অনুভূতি জীৱনৰ প্ৰত্যাহ্বান আৰু হাৰি নোযোৱাৰ মন্ত্ৰেৰে সদায় সমুখৰ পিনে গতি কৰাৰ সংকল্পৰ কথা কয়। শৈলেনজিৎ শৰ্মাই চাকৰি জীৱনৰ ৩৭ বছৰত অৱসৰৰ দিনা ৩৭ জোপা বৃক্ষ ৰোপণ, তেওঁৰ ৰচনা-পৰিচালনাৰে মঞ্চস্থ কৰা এখন নাটক আৰু আজি নাট্য সংকলনখনেৰে বিদায় লোৱা বুলি কয়। অনুষ্ঠানত শৈলেনজিৎ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক মণ্ডলী আৰু তেওঁৰ শুভাকাংক্ষীসকলে উপস্থিত থাকি চাকৰি জীৱনৰ অৱসৰৰ দিনটোত অভিনন্দন জনায়।

